**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-04-2026 **Time :** 1100 Hrs.

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত গঞা ৰাইজে গোহালিৰ গৰুসমূহ নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰঙালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক বিহুৰ শুভেচ্ছা জনাইছে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱান আগবঢ়াই প্ৰিয়জন তথা আত্মীয়স্বজনক বিহুৰ ওলগ জনোৱা হ'ব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ অৰ্থে ৰাজ্যৰ ঠায়ে ঠায়ে অনুষ্ঠিত বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ সমাপ্ত হৈছে। বিভিন্ন বিহু কমিটীয়ে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

গৰুবিহু উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে মাহ, হালধী আৰু বেঙেনা খুৱাই গৰুক গা ধুৱাইছে। শ্ৰীভূমি জিলাৰ বৰগুল গাঁৱত পুৱাই পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। বৰপেটা জিলাৰ ভিন্ন প্ৰান্তত গৰুবিহু উদযাপন কৰা হৈছে। যোৰহাট, মাজুলী, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, বাক্সা আদি জিলাতো পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো বিহু উদযাপন কৰা হৈছে। এই উপলক্ষে আজি পুৱাৰে পৰাই বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুৱাই বিহুৰ পতাকা উত্তোলন কৰা লগতে মুকলি বিহু আৰু পিঠা-পনা, জলপান আদিৰো ব্যৱস্থা কৰা হৈছে।

oooooo

কংগ্ৰেছ নেতা তথা দলটোৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেৰাৰ আগতীয়া জামিন মঞ্জুৰ কৰি তেলেংগানা উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ প্ৰত্যাহ্বান জনাই অসম আৰক্ষী তথা ৰাজ্য চৰকাৰ উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে। ৰাজ্য চৰকাৰে দাখিল কৰা আবেদনখন কাইলৈ তালিকাভুক্ত হোৱাৰ সম্ভাৱনা আছে। আনহাতে কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে পৱন খেৰাৰ সমৰ্থনত মাত মাতিছে আৰু কংগ্ৰেছ দল খেৰাৰ সৈতে আছে বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে তিনিখন দেশৰ পাৰপত্ৰ আৰু বিদেশত সম্পত্তি থকা বুলি যোৱা ৬

এপ্ৰিলত খেৰাই সংবাদমেলত অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ পাছতে ৰিণিকি ভূঞা শৰ্মাই দাখিল কৰা এজাহাৰৰ ভিত্তিত অসম আৰক্ষীৰ অপৰাধ শাখাই খেৰাৰ বিৰুদ্ধে এটা গোচৰ ৰুজু কৰিছিল।

০০০০০০

চাইবাৰ অপৰাধৰ সৈতে জড়িতৰ অভিযোগত বৰপেটা ৰোডত নগদ ধনসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বৰপেটাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুস্কিন জৈনে কালি সাংবাদিকৰ আগত প্ৰকাশ কৰা অনুসৰি ৰাজু আহমেদ, জাহিৰ আলম আৰু ছফিউল্লাহ নামৰ লোক তিনিজনক বৰপেটাৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে। বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য আৰু বৰপেটা ৰোড থানাৰ আৰক্ষী বিষয়া শ্যামলজ্যোতি শইকীয়াৰ যুটীয়া নেতৃত্বত চলোৱা অভিযানত এই তিনিওজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা নগদ ৬২ হাজাৰ টকা, ৫ খন এটিএম কাৰ্ড আৰু ৫টা মোবাইল ফোন জব্দ কৰে। আৰক্ষী অধীক্ষক শ্ৰীজৈনে কয়, যে এই এটিএম কাৰ্ডৰ জৰিয়তে অভিযুক্ত তিনিজনে বেংকৰ গ্ৰাহকৰ পৰা একাউণ্টৰ ধন লুটি নিয়া কাৰ্যত জড়িত আছিল।

০০০০০০

বিহাৰৰ ইটা ভাটাত কাম কৰি থকা কেইবাগৰাকীও মহিলাকে ধৰি মুঠ ৪৭ গৰাকী শ্ৰমিকক কালি উদ্ধাৰ কৰি অসমলৈ অনা হয়। বিহাৰ আৰক্ষীয়ে কালি দুখন বাছেৰে আটাইকেইগৰাকী শ্ৰমিকক লৈ ধুবুৰী জিলাত উপস্থিত হয়। উল্লেখযোগ্য যে, অসমৰ এইসকল শ্ৰমিকক বিহাৰৰ এটা ইটা ভাটাৰ মালিকে শাৰীৰিক নিৰ্যাটন চলোৱাৰ অভিযোগ উত্থাপন হৈছিল। উদ্ধাৰ কৰা শ্ৰমিকসকলৰ ভিতৰত কেইবাগৰাকী নাবালিকা আছে বুলি বিহাৰ আৰক্ষীয়ে জানিবলৈ দিয়ে।

০০০০০০

ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিক সামৰি সদ্য সমাপ্ত নিৰ্বাচন সন্দৰ্ভত পৰ্যালোচনা বৈঠক কালি অনুষ্ঠিত হয়। জিলাখনৰ বিজেপিৰ মাণ্ডলিক কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। দলীয় কাম-কাজ, সাংগঠনিক বিষয় আৰু নিৰ্বাচন সন্দৰ্ভত হোৱা এই বৈঠকত বিমল বৰা, প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, পুলক গোহাঁই, ঋতুপৰ্ণ বৰুৱা, পুষ্পাঞ্জলি সোণোৱাল, ডাঃ চৈকত পাত্ৰ, লক্ষীনাথ তাছা, বিকুল ডেকা, ইন্দ্ৰ গগৈ আৰু দুলাল বৰাকে ধৰি বিজেপিৰ কেইবাগৰাকীও নিৰ্বাচনী প্ৰাৰ্থী আৰু দলৰ বিষয়ববীয়া উপস্থিত থাকে। মন্ত্ৰী শ্ৰীসোণোৱালে তেওঁৰ ভাষণত ভৱিষ্যতৰ কাৰ্যপন্থা সুদৃঢ় কৰি জনসেৱাৰ প্ৰতিশ্ৰুতি অধিক দৃঢ় কৰাৰ সংকল্পৰ লগতে জনতাৰ আস্থা আৰু সমৰ্থনেই বিজেপিৰ শক্তি বুলি প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**